03-04-2026 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“মৰমৰ সন্তানসকল – পিতাৰ সমান দয়াশীল হৈ অনেকক ৰাস্তা দেখুওৱা, যিসকল সন্তান দিনে-ৰাতিয়ে সেৱাত ব্ৰতী হৈ থাকে তেওঁলোকেই বাহাদুৰ”**

প্ৰশ্ন: উচ্চ ভাগ্যৰ মুখ্য আধাৰ কোনটো কথাৰ ওপৰত নিৰ্ভৰ কৰে?

উত্তৰ: স্মৃতিৰ যাত্ৰাৰ ওপৰত। যিয়ে যিমান স্মৰণ কৰে সিমানে উচ্চ ভাগ্য গঢ়ে। শৰীৰ নিৰ্বাহৰ অৰ্থে কৰ্ম কৰিও পিতা আৰু উত্তৰাধিকাৰক স্মৰণ কৰি থাকিলে ভাগ্য উচ্চ হৈ গৈ থাকিব।

গীত: তকদীৰ জগাকৰ আই হু...... (ভাগ্য উদয় কৰি আহিছোঁ......)

ওঁম্ শান্তি। যেতিয়া সন্তান জন্মে তেতিয়া নিজৰ লগত কৰ্ম অনুসাৰে ভাগ্য লৈ আহে। কোনোৱে চহকীৰ ঘৰত, কোনোৱে গৰিবৰ ঘৰত জন্ম লয়। পিতায়ো বুজি পায় উত্তৰাধিকাৰী আহিছে। যেনেকুৱা দান পুণ্য কৰিছে, সেই অনুসৰি জন্ম লাভ কৰে। এতিয়া তোমালোক মৰমৰ সন্তানসকলক কল্পৰ পাছত পুনৰ পিতা আহি বুজাইছে। সন্তানসকলেও জানে যে আমি নিজৰ ভাগ্য লৈ আহিছোঁ। স্বৰ্গৰ বাদশ্বাহীৰ ভাগ্য লৈ আহিছোঁ, যিসকলে ভালদৰে জানিছে আৰু পিতাক স্মৰণ কৰি আছে। স্মৃতিৰ সৈতে ভাগ্যৰ সম্পৰ্ক আছে। জন্ম লৈছা - গতিকে পিতাৰ স্মৃতিও থাকিব লাগে। যিমানে স্মৰণ কৰিবা সিমানে ভাগ্যও উচ্চ হৈ থাকিব। কিমান সহজ কথা। চেকেণ্ডত জীৱনমুক্তি পোৱা যায়। তোমালোক সুখধামৰ ভাগ্য প্ৰাপ্ত কৰিবলৈ আহিছা। এতিয়া প্ৰত্যেকেই পুৰুষাৰ্থ কৰি আছে। প্ৰত্যেকেই নিজক চাই আছে যে আমি কেনেকৈ পুৰুষাৰ্থ কৰি আছোঁ। যেনেকৈ মম্মা বাবা আৰু সেৱাধাৰী সন্তানসকলে পুৰুষাৰ্থ কৰে তেওঁলোকক অনুসৰণ কৰিব লাগে। সকলোকে পিতাৰ পৰিচয় দিব লাগে। পিতাৰ পৰিচয় দিলে ৰচনাৰ আদি-মধ্য-অন্তৰ জ্ঞানো জানি যাব। ঋষি, মুনি আদি কোনেও ৰচয়িতা আৰু ৰচনাৰ আদি-মধ্য-অন্তৰ জ্ঞান দিব নোৱাৰে। এতিয়া তোমালোকৰ বুদ্ধিত গোটেই চক্ৰৰ স্মৃতি থাকে। জগতত কোনেও পিতা আৰু উত্তৰধিকাৰক নাজানে। তোমালোক সন্তানসকলে এতিয়া পিতা আৰু নিজৰ ভাগ্যক জানা। এতিয়া পিতাক স্মৰণ কৰিব লাগে। শৰীৰ নিৰ্বাহৰ অৰ্থে কৰ্মও কৰিব লাগে। ঘৰ-সংসাৰৰো তত্বাৱধান ল’ব লাগে। কোনোবা বন্ধন মুক্ত হ’লে তেওঁ ভাল সেৱা কৰিব পাৰে। সতি-সন্তান নাথাকিলে তেওঁৰ সেৱা কৰাৰ ভাল সুযোগ আছে। স্ত্ৰীৰ স্বামী বা সন্তানৰ বন্ধন থাকে। যদিহে কোনো সন্তান নাথাকে তেন্তে বন্ধনমুক্ত নহ’ল জানো। তেওঁ যেন বানপ্ৰস্থ হৈ গ’ল। আকৌ মুক্তিধামত যোৱাৰ বাবে সংগী লাগে। ভক্তিমাৰ্গততো সাধু আদি নিবৃত্তি মাৰ্গৰসকলৰ সংগ পায়। সেই নিবৃত্তি মাৰ্গৰসকলে প্ৰবৃত্তি মাৰ্গৰসকলক উত্তৰাধিকাৰ দিব নোৱাৰে। তোমালোক সন্তানসকলেহে দিব পাৰা। তোমালোকক পিতাই ৰাস্তা দেখুৱাইছে। ভাৰতৰ 84 জন্মৰ বুৰঞ্জী-ভূগোল বহি বুজোৱা। ভাৰতবাসীয়েহে 84 জন্ম লয়। এজনৰ কথা নহয়। সূৰ্যবংশীৰ পৰা চন্দ্ৰবংশী, আকৌ বৈশ্যবংশী, শূদ্ৰবংশী কুলত আহে, ক্ৰমানুসৰিতো হয় নহয়। ভাৰতৰ প্ৰথম নম্বৰৰ ৰাজকুমাৰ হৈছে শ্ৰীকৃষ্ণ, যাক দোলনাত দোলায়। দ্বিতীয় নম্বৰৰজনক নোদোলায় কিয়নো কলা কম হৈ গ’ল। যি প্ৰথম নম্বৰৰ হয়, পূজা তেওঁৰ হয়। মনুষ্যই বুজি নাপায় যে শ্ৰীকৃষ্ণ এজন নে দুই-তিনিজন। শ্ৰীকৃষ্ণৰ ৰাজবংশ চলে, এয়া কোনেও নাজানে। পূজা কেৱল প্ৰথম নম্বৰৰজনৰ হয়। নম্বৰতো ক্ৰমানুসৰি পায়। গতিকে পুৰুষাৰ্থ কৰিব লাগে যে কিয়নো মই প্ৰথম নম্বৰত নাহোঁ। মম্মা বাবাক অনুসৰণ কৰোঁ, তেওঁলোকৰ ৰাজধানী লৈ লওঁ। যিয়ে ভাল সেৱা কৰিব তেওঁ ভাল মহাৰজাৰ ঘৰত জন্ম ল’ব। তাততো হয়েই মহাৰজা মহাৰাণী। সেই সময়ত কোনো ৰজা-ৰাণীৰ উপাধি নাথাকে। সেয়া পাছত আৰম্ভ হয়। দ্বাপৰৰ পাছত যেতিয়া পতিত হয় তেতিয়া বহুত সম্পত্তিৱানসকলক ৰজা বুলি কোৱা হয়। পাছত মহাৰজাৰ পদমৰ্যাদা কম হৈ যায়, প্ৰায় লুপ্ত হৈ যায়। আকৌ যেতিয়া ভক্তিমাৰ্গ আৰম্ভ হয় তেতিয়া গৰিব, চহকীৰ মাজত পাৰ্থক্যতো থাকে নহয়। এতিয়া তোমালোক সন্তানসকলেহে শিৱবাবাক স্মৰণ কৰা আৰু তেওঁৰ পৰা উত্তৰাধিকাৰ লৈ আছা। অন্য সৎসংগত মনুষ্যই বহি কাহিনী শুনায়, মনুষ্যই মনুষ্যক ভক্তি শিকায়। তেওঁলোকে জ্ঞান দি সৎগতি কৰাব নোৱাৰে। বেদ, শাস্ত্ৰ আদি সকলো হৈছে ভক্তিমাৰ্গৰ। সৎগতিতো জ্ঞানেৰে হয়। পুনৰ্জন্মকো মানে। মাজতেতো কোনেও উভতি যাব নোৱাৰে। অন্তিমতহে পিতা আহি সকলোকে লৈ যায়। ইমানবোৰ আত্মা গৈ ক’ত থাকিবগৈ? সকলো ধৰ্মৰ শাখাতো বেলেগ বেলেগ হয় নহয়। গতিকে এয়াও বুজাব লাগে। এয়া কোনেও নাজানে যে আত্মাসকলৰো বৃক্ষ আছে। তোমালোক সন্তানসকলৰ বুদ্ধিত গোটেই বৃক্ষৰ জ্ঞান থাকে। আত্মাসকলৰ বৃক্ষও আছে, জীৱ আত্মাসকলৰো বৃক্ষ আছে। সন্তানসকলে জানে যে আমি এই পুৰণা শৰীৰ এৰি ঘৰলৈ গৈ আছোঁ। "মই আত্মা" এই শৰীৰৰ পৰা ভিন্ন - এইটো বুজা মানেই জীৱন্তে মৰা। তুমি মৰিলা মানে জগতখন তোমাৰ কাৰণে মৰি গ’ল। মিত্ৰ, সম্বন্ধীয় আদি সকলোকে এৰি দিলা। প্ৰথমে সম্পূৰ্ণকৈ শিক্ষা লৈ, পদৰ অধিকাৰী হৈ

তাৰপাছত যাব লাগে। পিতাক স্মৰণ কৰাতো অতি সহজ। লাগিলে কাৰোবাৰ বেমাৰ হওক, তেওঁকো কৈ থাকিব লাগে যে শিৱবাবাক স্মৰণ কৰিলে বিকৰ্ম বিনাশ হ'ব। যিসকল দৃঢ় যোগী তেওঁলোকৰ কাৰণে সোনকালে মৰাটোও ভাল নহয় কিয়নো তেওঁলোকে যোগত থাকি আত্মিক সেৱা কৰে। মৰি গ'লে সেৱা কৰিব নোৱাৰিব। সেৱা কৰিলে নিজৰ পদ উচ্চ কৰি গঢ়ি থাকিব আৰু ভাই-ভনীসকলৰো সেৱা হ'ব। তেওঁলোকেও পিতাৰ পৰা উত্তৰাধিকাৰ পাব। আমি পৰস্পৰ ভাই ভাই, এজন পিতাৰ সন্তান।

পিতাই কয় - মোক স্মৰণ কৰিলে বিকৰ্ম বিনাশ হ'ব। আগতেও এনেকৈ কৈছিলোঁ। যিকোনো লোককে বুজাব পাৰা, ভ্ৰাতা অথবা ভগ্নী, তুমি আত্মা তমোপ্ৰধান হৈ গৈছা। যি সতোপ্ৰধান আছিল এতিয়া পুনৰ তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ সতোপ্ৰধান সৃষ্টিলৈ যাব লাগে। আত্মাক স্মৃতিৰ যাত্ৰাৰে সতোপ্ৰধান কৰি তুলিব লাগে। স্মৃতিৰ পূৰা খতিয়ান ৰাখিব লাগে। জ্ঞানৰ খতিয়ান ৰাখিব নোৱাৰিবা। পিতাইতো জ্ঞান দি থাকে। বিচাৰ কৰিব লাগে যে মোৰ ওপৰত যি বিকৰ্মৰ বোজা আছে, সেয়া কেনেকৈ আতঁৰিব সেইবাবে স্মৃতিৰ খতিয়ান ৰখা হয়। মই কিমান ঘন্টা স্মৰণ কৰিলোঁ? মূললোককো স্মৰণ কৰোঁ আৰু নতুন সৃষ্টিকো স্মৰণ কৰোঁ। উথল-পাতল হ'ব। তাৰো প্ৰস্তুতি চলি আছে। বোমা আদিও তৈয়াৰ কৰি গৈ থাকিব। এফালে কয় যে আমি এনেকুৱা এনেকুৱা মৃত্যুৰ কাৰণে সামগ্ৰী তৈয়াৰ কৰি আছোঁ। আনফালে কয় মৃত্যুৰ সামগ্ৰী তৈয়াৰ নকৰিবা। সমুদ্ৰৰ তলতো মাৰিবলৈ সামগ্ৰী ৰাখিছে, ওপৰত আহি বোমা পেলাই আৰু সমুদ্ৰৰ তলত গুচি যাব। এনেকুৱা এনেকুৱা সামগ্ৰী তৈয়াৰ কৰি থাকে। এয়া নিজৰেই বিনাশৰ কাৰণে কৰি আছে। মৃত্যু সমাগত। ইমান ডাঙৰ ডাঙৰ অট্টালিকা নিৰ্মাণ কৰি আছে। তোমালোকে জানা এই সকলোবোৰ মাটিত মিহলি হৈ যাব। কাৰোবাৰ ধূলিত পোত যাব…….. যুদ্ধ নিশ্চয় হ'ব। চেষ্টা কৰি জেপ সকলোৰে খালী কৰিব। চোৰো কিমান সোমাই যায়। যুদ্ধত কিমান খৰচ কৰে। এই সকলোবোৰ মাটিত মিলি যাব। ঘৰ আদি সকলো খহিব। বোমা আদি পৰাৰ ফলত সৃষ্টিৰ 3 ভাগ নাশ হৈ যায়। বাকী এটা ভাগ থাকি যায়। ভাৰত এটা ভাগত থাকিব নহয়। বাকীতো সকলোবোৰ পাছত আহিছে। এতিয়া ভাৰত খণ্ডই বাচিব। মৃত্যুতো সকলোৰে হ'বই তেন্তে কিয়নো আমি পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ লৈ নলওঁ সেয়েহে পিতাই কয় - লৌকিক সম্বন্ধীয়সকলৰ সৈতেও দায়িত্ব পালন কৰি চলিব লাগে। বাকী বন্ধন নাথাকিলে পিতাই ৰায় দিব যে কিয়নো সেৱাত লাগি নোযোৱা। স্বতন্ত্ৰ হ'লে বহুতৰে কল্যাণ কৰিব পাৰে। বাৰু বাহিৰলৈ যদি নোযোৱা তেন্তে নিজৰ মিত্ৰ-সম্বন্ধীয়সকলৰ ওপৰতে দয়া কৰিব লাগে। তোমালোকেতো এতিয়া ৰাস্তা পাই গৈছা গতিকে আনৰ ওপৰতো দয়া কৰিব লাগে, যেনেকৈ পিতাই দয়া কৰে। পিতাই কয় মোক স্মৰণ কৰিলে বিকৰ্ম বিনাশ হ'ব। সন্ন্যাসীসকলেতো হঠযোগ আদিৰ কিমান পৰিশ্ৰম কৰে। ইয়াততো এনেকুৱা একো নাই। কেৱল স্মৰণ কৰা তেতিয়া পাপ ভস্ম হৈ যাব, ইয়াত কোনো কষ্ট নাই। কেৱল স্মৃতিৰ যাত্ৰাৰ কথা। উঠা-বহা, কৰ্মেন্দ্ৰিয়ৰ দ্বাৰা লাগিলে কৰ্মও কৰা, কেৱল বুদ্ধিৰ যোগসূত্ৰ পিতাৰ সৈতে গঢ়ি তোলা। সেইজন প্ৰেমিকৰ সঁচা প্ৰেমিকা হ'ব লাগে। নিজেই কয় – হে প্ৰেমিকাসকল, হে সন্তানসকল! ভক্তিমাৰ্গততো বহুত স্মৰণ কৰিলা। কিন্তু এতিয়া মোক প্ৰেমিকক স্মৰণ কৰা তেতিয়া তোমালোকৰ পাপ ভস্ম হ'ব। মই প্ৰতিশ্ৰুতি দিওঁ। কোনো কোনো কথা শাস্ত্ৰত অন্তৰ্ভুক্ত হৈ গৈছে। ভগৱানৰ দ্বাৰা ‘গীতা’ শুনিলে তোমালোকে জীৱনমুক্তি পোৱা। মনুষ্যৰ দ্বাৰা ‘গীতা’ শুনা বাবে জীৱন বন্ধনত আহি গৈছা, ছিৰি নামি (অৱনমিত হৈ) আহিছা। প্ৰতিটো কথাত বিচাৰ সাগৰ মন্থন কৰিব লাগে। নিজৰ বুদ্ধি চলাব লাগে। এয়া বুদ্ধিৰ যাত্ৰা, যাৰ দ্বাৰা বিকৰ্ম বিনাশ হ'ব। বেদ, শাস্ত্ৰ, যজ্ঞ, তপ আদি কৰিলে পাপ নাশ নহয়। অৱনমিতহে হৈ আহিলা। তোমালোক এতিয়া ওপৰলৈ যাব লাগে। কেৱল ছিৰিৰ চিত্ৰৰে কোনেও বুজিব নোৱাৰিব, যেতিয়ালৈ তাৰ ওপৰত কোনোবাই বুজাই নিদিয়ে। যেনেকৈ সৰু ল'ৰা-ছোৱালীক চিত্ৰ দেখুৱাই বুজাবলগীয়া হয় - এইটো হাতী। যেতিয়া হাতী দেখিব তেতিয়া চিত্ৰও স্মৃতিত আহিব। যেনেকৈ তোমালোকৰ বুদ্ধিত আহি গৈছে। চিত্ৰত সদায় সৰু বস্তু দেখুওৱা হয়। তোমালোকে জানা যে বৈকুণ্ঠতো ডাঙৰ হ'ব নহয়। ডাঙৰ ৰাজধানী হ'ব। তাত হীৰা-মুকুতাৰ মহল থাকে, সেয়া আকৌ প্ৰায় লুপ্ত হৈ যায়। সকলো বস্তু নোহোৱা হৈ যায়। নহ'লেনো এই ভাৰত গৰিব কেনেকৈ হ'ল? চহকীৰ পৰা গৰিব, গৰিবৰ পৰা চহকী হ'ব লাগে। এই ড্ৰামাখন পূৰ্ব নিৰ্ধাৰিত সেইবাবে ছিৰিৰ ওপৰত বুজোৱা হয়, নতুনকৈ আহিলে তেওঁলোকক বুজালে অভ্যাস হৈ যাব, মুখ খুলিব অৰ্থাৎ বুজাব পৰা হৈ যাব। সন্তানসকলক সেৱাৰ যোগ্য কৰি তোলা হয়। বহুত সেৱাকেন্দ্ৰততো অনেক সন্তানে অশান্তিৰ বিয়পাই থাকে। বুদ্ধিযোগ বাহিৰত ভ্ৰমি ফুৰে গতিকে লোকচান কৰি দিয়ে। বায়ুমণ্ডল নষ্ট কৰি দিয়ে। ক্ৰমানুসৰিতো হয় নহয়। পাছত পিতাই ক'ব তুমি পঢ়া নাছিলা, গতিকে নিজৰ এই অৱস্থা চোৱা। দিনে-প্ৰতিদিনে অধিক সাক্ষাৎকাৰ হৈ থাকিব। পাপ কৰোঁতাসকলে শাস্তিও পাই থাকিব। তেতিয়া ক'ব - অনাহকতে মই পাপ কৰিলোঁ। পিতাক শুনাই প্ৰায়শ্চিত্ত কৰিলে কিছু কম হ'ব পাৰে। নহ'লে বৃদ্ধি হৈ থাকিব। এনেকুৱা হৈ থাকে। নিজেও অনুভৱ কৰিবা কিন্তু তেতিয়া কয় কি কৰোঁ - মোৰ এইটো অভ্যাস আঁতৰিয়েই নাযায়, ইয়াতকৈতো ঘৰত গৈ থাকোঁ। কোনোৱেতো ভাল সেৱা কৰে। কোনোৱে অহিতো কৰে। আমাৰ সেনাত কোন কোন বাহাদুৰ আছে, এয়া পিতাই বহি

নাম শুনায়। বাকী ইয়াত যুদ্ধ আদিৰ কোনো কথা নাই। এয়া হৈছে বেহদৰ কথা। ভাল সন্তান হ'লে পিতাই নিশ্চয় মহিমাও কৰিব। সন্তানসকল বহুত দয়াশীল, কল্যাণকাৰী হ'ব লাগে। অন্ধৰ লাখুটি হ'ব লাগে। সকলোকে ৰাস্তা দেখুৱাব লাগে যে পিতাক স্মৰণ কৰিলে বিকৰ্ম বিনাশ হ'ব। পাপ আত্মা আৰু পুণ্য আত্মা বুলি কয় নহয়। এনেকুৱা হয় জানো যে ভিতৰত পৰমাত্মা আছে বা আত্মা পৰমাত্মা হৈ যায়। এই সকলোবোৰ ভুল। পৰমাত্মাৰ জানো পাপ লাগে। তেওঁৰতো ড্ৰামাত সেৱা কৰাৰ ভূমিকা আছে। মনুষ্যহে পাপ আত্মা, পুণ্য আত্মা হয়। যিসকল সতোপ্ৰধান আছিল তেওঁলোকেই তমোপ্ৰধান হৈছে। তেওঁৰ (ব্ৰহ্মাৰ) শৰীৰত বহি পিতাই সতোপ্ৰধান কৰি তোলে গতিকে তেওঁৰ মতত চলিব লাগে নহয়।

এতিয়া পিতাই তোমালোক সন্তানসকলক বিশাল বুদ্ধিৰ কৰি তুলিছে। তোমালোকে এতিয়া জানা যে ৰাজধানী কেনেকৈ স্থাপন হৈ আছে। পিতাহে ব্ৰহ্মাৰ শৰীৰত আহি ব্ৰহ্মা মুখ বংশাৱলী সন্তানসকলক ৰাজযোগ শিকাই দেৱী-দেৱতা কৰি তোলে। আকৌ পুনৰ্জন্ম লৈ ছিৰি নামে। এতিয়া আকৌ সকলো পুনৰাবৃত্তি কৰিব লাগে। পিতাই পুনৰাই ব্ৰহ্মাৰ দ্বাৰা স্থাপনা কৰাই আছে। তোমালোকে যোগবলেৰে 5 বিকাৰৰ ওপৰত জয়ী হৈ জগতজিৎ হোৱা। বাকী যুদ্ধ আদিৰ কোনো কথা নাই। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) বন্ধনমুক্ত হৈ পিতাৰ সেৱাত লাগি যাব লাগে, তেতিয়াহে ভাগ্য উচ্চ হ'ব। দয়াশীল হৈ অনেকক ৰাস্তা দেখুৱাব লাগে। অন্ধৰ লাখুটি হ'ব লাগে।

(2) এই শৰীৰৰ পৰা মমত্ব আঁতৰাই জীৱন্তে মৰিব লাগে কিয়নো এতিয়া ঘৰলৈ উভতি যাব লাগে। বেমাৰতো এজন পিতাৰ স্মৃতি থাকিলে বিকৰ্ম বিনাশ হৈ যাব।

বৰদান:

কল্যাণৰ ভাৱনাৰ দ্বাৰা প্ৰত্যেক আত্মাৰ সংস্কাৰ পৰিৱৰ্তন কৰোঁতা নিশ্চয়বুদ্ধিৰ হোৱা

যেনেকৈ পিতাৰ প্ৰতি 100 শতাংশ নিশ্চয়বুদ্ধিৰ, কোনোবাই যিমানে বিচলিত কৰিবলৈ চেষ্টা নকৰক কিন্তু বিচলিত হ'ব নোৱাৰা তেনেকৈ দৈৱী পৰিয়াল বা সংসাৰৰ আত্মাসকলৰ দ্বাৰা যেনেকুৱাই পৰীক্ষা নাহক কিয়, ক্ৰোধী হৈ বিৰুদ্ধাচৰণ কৰক বা গালি-গালাজ কৰক, তেতিয়াও বিচলিত হ'ব নোৱাৰা, এই ক্ষেত্ৰত প্ৰত্যেক আত্মাৰ প্ৰতি কেৱল কল্যাণৰ ভাৱনা থাকক, এই ভাৱনাই তেওঁলোকৰ সংস্কাৰ পৰিৱৰ্তন কৰি দিব। ইয়াৰ বাবে কেৱল অধৈৰ্য হ'ব নালাগে, সময় অনুসৰি ফল নিশ্চয় পোৱা যাব—এয়া ড্ৰামাত নিৰ্ধাৰিত হৈ আছে।

শ্লোগান: পৱিত্ৰতাৰ শক্তিৰে নিজৰ সংকল্পসমূহ শুদ্ধ আৰু জ্ঞান স্বৰূপ কৰি তুলি দুৰ্বলতাসমূহ সমাপ্ত কৰা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: মহান হ’বলৈ মধুৰতা আৰু নম্ৰতাৰ গুণ ধাৰণ কৰা

বাণীত সদায় সত্যতা আৰু মধুৰতা থাকিলে বাণীৰ বাবে নম্বৰ জমা হৈ থাকিব। জীৱনত মধুৰতা গুণ থাকিলে প্ৰতিষাৰ কথা মুকুতাৰ দৰে হ'ব। এনেকুৱা লাগিব যেন কথা কৈ থকা নাই, মুকুতাৰ বৰ্ষা হৈ আছে। তেওঁলোকে এনেকুৱা কথা ক'ব যে শুনোঁতাই ভাবিব যে এনেকুৱা কথা আমিও কওঁ। সকলোৱে শুনি শিকিবলৈ, অনুসৰণ কৰিবলৈ অনুপ্ৰেৰণা পাব। এনেকুৱা মধুৰ বাণীৰ প্ৰকম্পনে সকলোকে স্বতঃ আকৰ্ষণ কৰে।

[বি:দ্ৰ: - প্ৰজাপিতা ব্ৰহ্মাকুমাৰী ঈশ্বৰীয় বিশ্ব বিদ্যালয়ৰ নিয়মীয়া বিদ্যাৰ্থীসকলৰ বাবে]